ক্ষেত্ৰ অধ্যয়ন

কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়

বিষয় — "পুৰণি অসমীয়া লিপিৰ অধ্যয়ন"

স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ
(২০২০)

নাম :— শ্ৰী নিকুমণি ডেকা

ৰোল নং :— ৬৪ (৩৮)

পঞ্জীয়ন নং :— ২০১৩০১৪৭১

০.১ আৰম্ভণি :-

বাণীৰ লৈখিক প্ৰতিৰূপেই লিপি। ভাষা ব্যৱহাৰ কৰা বা কথা কোৱা ক্ষমতাটো যিদৰে এটা আচৰিত ক্ষমতা, মানুহৰ মনোভাৱক লিপিবদ্ধ কৰি ৰখা ক্ষমতাটোও তেনেকুৱাই আচৰিত ক্ষমতা। ভাষাৰ মূল হৈছে ধ্বনি। ধ্বনিবোৰ উচ্চাৰিত হয়। উচ্চাৰিত ধ্বনিবোৰ শুনা যায়। ধ্বনিবোৰ উচ্চাৰণ কৰা সময়খিনিহে শুনা যায় আৰু উচ্চাৰণ কৰা সময়ত যিজনে উচ্চাৰণ কৰিলে তেওঁৰ ওচৰে যিমান দূৰলৈ যায় সেইখিনি অনুসৰি শুনা যায়; অৰ্থাৎ ভাষা কাল আৰু স্থানৰ গণ্ডীৰে সীমিত। ভাষাক এই সীমাৰ পৰা মুক্ত কৰিবলৈ লিপিৰ উদ্ভৱ হ'ল। লিপিৰ ব্যৱহাৰৰ দ্বাৰা কোনো এক সময়ৰ কোনো সমাজৰ বা ঘটনাক পৰিস্থিতিকে সংৰক্ষণ কৰাৰ সুবিধা হ'ল। লিপিয়ে ভাষাত ব্যৱহাৰ কৰা ধ্বনিক ৰেখাৰ দ্বাৰা ব্যক্ত কৰে। ভাষাৰ নিচিনা লিপিকো মানুহে নিজৰ প্ৰয়োজনীয়তা অনুসৰি বিকশিত কৰি লৈছে।

মানুহৰ বাগযন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহক যি প্ৰতীক চিহ্ন অথবা বৰ্ণচিহ্নৰ সহায়ত ব্যক্ত কৰা হয়, সেয়ে লিপি। প্ৰাচীন ভাৰতত ধাতুৰে নিৰ্মিত সূক্ষ্ম কলমৰ সহায়ত ভূৰ্জপত্ৰ আৰু তালপাতত দগাকাঠিৰে জোৰ ওপৰত চিহ্নাই থৈ দিয়া হৈছিল। পাছে ৰঞ্জক পদাৰ্থ লেপন কৰাৰ পাছহে লিপি লেখৰ উৎপত্তি।

বাস্তৱ দৃষ্টিত আদিম মানৱৰ প্ৰয়োজন পূৰ্তিৰ দীৰ্ঘম্যাদী প্ৰয়াসৰ ফলশ্ৰুতিস্বৰূপেহে লিপিৰ জন্ম আৰু বিকাশ সম্ভৱ হয়।

লিপিৰ বিকাশক প্ৰধানকৈ চাৰি ভাগত ভাগ কৰা হয়; সেয়ে — চিত্ৰলিপি, সূত্ৰ-লিপি, প্ৰতীকাত্মক লিপি,